জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৩১১/২০২২

# খড়গপুৰ আই আই টিত অসমৰ ছাত্ৰৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত পুংখানুপুংখ অনুসন্ধানৰ বাবে পশ্চিম বংগৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ কৰিলে মুখ্যমন্ত্ৰী ড° শৰ্মাই

**দিছপুৰ, ২০ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খড়গপুৰ আই আই টিত অধ্যয়নৰত অসমৰ তিনিচুকীয়া জিলাৰ ফাইজান আহমেদ নামৰ ছাত্ৰজনৰ মৃত্যুক কেন্দ্ৰ কৰি অব্যাহত থকা পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যথাযথ তদন্তৰ বাবে হস্তক্ষেপ বিচাৰি আজি পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীলৈ এক পত্ৰ প্ৰেৰণ কৰে।

উল্লেখ্য যে তিনিচুকীয়া জিলাৰ ফাইজান আহমেদ নামৰ খড়গপুৰ আই আই টিৰ তৃতীয় বৰ্ষৰ মেকানিকেল ইঞ্জিনিয়াৰিঙৰ ছাত্ৰজনক যোৱা ১৪ অক্টোবৰত ছাত্ৰাৱাসৰ কোঠাত মৃত অৱস্থাত পোৱা গৈছিল। মৃতদেহ প্ৰত্যক্ষ কৰি ছাত্ৰজনৰ অভিভাৱকে পশ্চিম বংগৰ খড়গপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ ওচৰত গোচৰ তৰাৰ লগতে পশ্চিম মেদিনীপুৰৰ আৰক্ষী অধীক্ষককো তদন্তৰ বাবে অনুৰোধ জনাইছিল।

সমগ্ৰ ৰাজ্যজুৰি গভীৰ শোকৰ ছাঁ পেলোৱা এই মেধাবী ছাত্ৰজনৰ অকাল মৃত্যুৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° শৰ্মাই ঘটনাৰ পুংখানুপুংখ অনুসন্ধানৰ বাবে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ হস্তক্ষেপ কামনা কৰি এক পত্ৰ প্ৰেৰণ কৰিছে।

**সুঃদঃ / পুঃডেঃ**
**২০/১০/২০২২**